**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
::::::::::::::::::::::::::::::::::::::

# HEADLINE

১। অবৈধ ট্ৰেডিং কেলেংকাৰী সংক্ৰান্তত ৰাজ্যৰ বিভিন্ন আৰক্ষী চকীত ৰুজু হোৱা গোচৰ চি বি আইক অৰ্পণৰ সিদ্ধান্ত ৰাজ্যিক কেবিনেটৰ।

২। ফ্ৰান্সৰ কোম্পানী দাছল্ট ছিষ্টেমে ৰাজ্যত ২০০ কোটি টকা বিনিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। ৰাজ্য চৰকাৰক সত্ৰৰ মাটি বেদখল মুক্ত কৰাৰ আহ্বান অসম সত্ৰ মহাসভাৰ।

৪। আজি হিন্দী দিৱস। ৰাজভাষা হিচাপে হিন্দী ভাষাই স্বীকৃতি লাভৰ ৭৫ বছৰ সম্পূৰ্ণ।

*আৰু*

৫। বেলজিয়ামৰ ৰাজধানী ব্ৰুছেলছত অনুষ্ঠিত চলিত বৰ্ষৰ ডায়মণ্ড লীগ ফাইনেল প্ৰতিযোগিতাত পুৰুষৰ জেভলিন থ্ৰো শিতানত আজি নীৰজ চোপ্ৰা অৱতীৰ্ণ।

০০০০০০০

অসম মন্ত্ৰীসভাই অনিয়ন্ত্ৰিত জমা ধন আৰু অবৈধ ট্ৰেডিং কেলেংকাৰী সংক্ৰান্তত ৰাজ্যৰ বিভিন্ন আৰক্ষী চকীত ৰুজু হোৱা সকলো গোচৰৰ তদন্তৰ ভাৰ চি বি আইক অৰ্পণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মন্ত্ৰীসভাই লগতে গৃহ আৰু বিত্ত বিভাগক ভৱিষ্যতে এনে ধৰণৰ ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ উদ্দেশ্যে যুটীয়াভাৱে নীতি-নিৰ্দেশনা যুগুতাই উলিয়াবলৈ নিৰ্দেশ দিছে। অলপতে অবৈধ অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত কেইবাখনো এজাহাৰ ৰুজু হৈছে আৰু বিষয়টো লৈ ৰাজ্যৰ বিভিন্ন স্থানত জনসাধাৰণে প্ৰতিবাদ সাব্যস্ত কৰিছে। বৰ্তমানলৈকে এই কেলেংকাৰী সংক্ৰান্তত ৬১ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে আৰু ২২ জন লোকৰ বিৰুদ্ধে লুক আউট জাননী জাৰী কৰা হৈছে। ইয়াৰ উপৰি এনে ঘটনাৰ তদন্তৰ বাবে ১৪টা বিশেষ তদন্ত দল গঠন কৰা হৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইদৰে প্ৰকাশ কৰিছে।

(বাইট)

আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ৰাজ্যখনত ভাৰতীয় প্ৰতিভূতি বিনিময় বোৰ্ড, ছেবি অথবা ভাৰতীয় ৰিজাৰ্ভ বেংক আৰ বি আইৰ নীতি নিৰ্দেশনা পালন নকৰাকৈ কেইবাটাও ট্ৰেডিং কোম্পানীয়ে কাম-কাজ চলাই আছে আৰু ইয়াৰ ফলত বিনিয়োগকাৰীসকল লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। প্ৰৱঞ্চক অনলাইন কোম্পানীসমূহে দুমাহৰ ভিতৰত ৩০ শতাংশ মুনাফাৰ প্ৰতিশ্ৰুতিৰে ৰাজ্যৰ লগতে বাহিৰৰ বিনিয়োগকাৰীসকলকো প্ৰলোভিত কৰিছে। আমাৰ সংবাদদাতাই জনাইছে যে, তিনিটা প্ৰৱঞ্চক কোম্পানীয়ে ১১ হাজাৰ কোটিৰো অধিক টকা লুণ্ঠন কৰিছে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভুৱা অনলাইন ট্ৰেডিং কোম্পানীৰ জৰিয়তে ষ্টক বজাৰত বিনিয়োগ নকৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০

ফ্ৰান্সৰ প্ৰযুক্তি কোম্পানী দাছল্টে অসমত ২০০ কোটি টকা বিনিয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰাজ্যৰ প্ৰযুক্তি আৰু উদ্ভাৱনী প্ৰযুক্তিৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত কোম্পানীটোৱে এই ধনৰাশি বিনিয়োগ কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এই প্ৰকল্পত ৰাজ্য চৰকাৰে ৪০ কোটি টকা বৰঙণি আগবঢ়াব। অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ তত্বাৱধানত এই প্ৰকল্প ৰূপায়িত হ'ব। এই প্ৰকল্পৰ অধীনত বিমান পৰিবহণ, প্ৰতিৰক্ষা, মহাকাশ আৰু ইলেকট্ৰনিক ক্ষেত্ৰত ৰাজ্যৰ অভিযান্ত্ৰিক ক্ষেত্ৰৰ শিক্ষাৰ্থীক প্ৰশিক্ষণ দিব।

০০০০০০০

অসম সত্ৰ মহাসভাই সত্ৰৰ ভূমি দখলমুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰক আহ্বান জনাইছে। সোণাপুৰত জনজাতি বেল্টৰ ভূমি দখলমুক্ত কৰাৰ অভিযানৰ দৰে অসমৰ সত্ৰসমূহৰ মাটিও দখলমুক্ত কৰাৰ বাবে সত্ৰ মহাসভাই আহ্বান জনাইছে। অসম সত্ৰ মহাসভাই সোণাপুৰত ৰাজ্য চৰকাৰে চলোৱা উচ্ছেদ অভিযানক আদৰণি জনাই প্ৰকাশ কৰিছে যে অসমত থকা সত্ৰসমূহৰ মাটিত ব্যাপক বেদখল হৈছে। সত্ৰ মহাসভাই প্ৰকাশ কৰা অনুসৰি মধ্য আৰু নামনি অসমত সত্ৰৰ ১০ হাজাৰ বিঘাতকৈও অধিক ভূমি বেদখল হৈছে। ২০১৬ চনত বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ পাছত পাঁচখন সত্ৰৰ ভূমি বেদখলকাৰীৰ কবলৰ পৰা মুক্ত হোৱা বুলি অসম সত্ৰ মহাসভাই জানিবলৈ দিয়ে। বটদ্ৰৱা থানৰ ১৪০ বিঘা মাটি দক্ষিণ পাট সত্ৰৰ ছয়বিঘা মাটি পাটেকীবড়ি সত্ৰৰ ৫৫ বিঘা মাটি, বৰপেটা সত্ৰৰ ৪০ বিঘা মাটি, গোৱালাপাৰ সত্ৰৰ ৩৭ বিঘা মাটিকে ধৰি মুঠ ১৪০ বিঘা ভূমি দখলমুক্ত কৰা হৈছে। অসম চৰকাৰে সত্ৰ মাটি দখলমুক্ত কৰাৰ এই অভিযান অব্যাহত ৰাখিবলৈ অসম সত্ৰ মহাসভাই আহ্বান জনাইছে।

০০০০০০০

ৰাজ্য চৰকাৰে কাইলৈ সমগ্ৰ ৰাজ্যতে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষা পাতিবলৈ যোজা প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। ৰাজ্যৰ ২৮ খন জিলাৰ দুহেজাৰ ৩০৫টা পৰীক্ষা কেন্দ্ৰত তৃতীয়বৰ্গৰ সাত হাজাৰ ৬০০টা পদৰ বিপৰীতে ১১ লাখ ২৩ হাজাৰ ২০৪ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। অসমৰ ইতিহাসত প্ৰথমবাৰলৈ একে সময়তে ১১ লাখৰো অধিক প্ৰাৰ্থীয়ে একেলগে অৱতীৰ্ণ হ'ব। নিযুক্তি পৰীক্ষাক লৈ জিলা প্ৰশাসনসমূহে ব্যাপক প্ৰস্তুতি চলাইছে। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ সুবিধাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই ১২ খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছে। এই পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীসকলৰ যাতায়াতৰ সুবিধাৰ বাবে উত্তৰ-পূব সীমান্ত ৰে'লৱেই এই বিশেষ ৰে'লৰ ব্যৱস্থা কৰাৰ উপৰি কেইখনমান ৰে'লৰ সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিছে। দেওবাৰৰ দিনটোত পৰীক্ষা কেন্দ্ৰৰ আশে-পাশে থকা বজাৰ বন্ধ কৰাৰ লগতে সুকীয়া পথৰ নিৰ্দেশনা জাৰি কৰি নিৰ্দিষ্ট পথত গধূৰ যানবাহন চলাচলতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

আনহাতে, ডিব্ৰুগড় জিলাত কাইলৈ আৰু ২৯ ছেপ্তেম্বৰৰ লগতে ২৭ অক্টোবৰত ৬৯টা পৰীক্ষা কেন্দ্ৰত হ'বলগীয়া প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা শান্তিপূৰ্ণ আৰু সুচাৰুৰূপে যাতে অনুষ্ঠিত হয়, তাৰবাবে জিলা দণ্ডাধীশে কাইলৈ, ২৯ ছেপ্তেম্বৰ আৰু ২৭ অক্টোবৰত জিলাখনৰ আটাইকেইটা কেন্দ্ৰত প্ৰযোজ্য হোৱাকৈ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ বাধা আৰোপ কৰিছে।

০০০০০০০

পদ্ম বঁটাৰ বাবে মনোনয়নৰ দাখিল প্ৰক্ৰিয়া কাইলৈ সামৰণি পৰিব। যোৱা ১ মে’ত এই মনোনয়ন গ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পদ্ম বঁটাৰ বাবে প্ৰেৰণাদায়ক ব্যক্তিৰ নাম মনোনীত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল। সামাজিক মাধ্যমত এই বিষয়ে প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীয়ে এই বঁটাৰ বাবে ভালে সংখ্যক মনোনয়ন লাভ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, বিগত দশকটোত চৰকাৰে অসংখ্য তৃণমূল পৰ্যায়ৰ নায়কক পদ্ম সন্মানেৰে সন্মানিত কৰি আহিছে। তেওঁ কয় যে এই সন্মান প্ৰাপকসকলৰ জীৱন যাত্ৰাই অগণন লোকক উদ্বুদ্ধ কৰাৰ লগতে এই লোকসকলৰ কামকাজত দৃঢ়তা আৰু অধ্যাৱসায় স্পষ্টভাৱে প্ৰতিফলিত হয় বুলি তেওঁ উল্লেখ কৰে। এই বঁটা প্ৰদান প্ৰক্ৰিয়া অধিক স্বচ্ছ আৰু অংশীদাৰমূলক কৰি তোলাৰ বাবে চৰকাৰে জনসাধাৰণৰ পৰা এই বঁটাৰ বাবে মনোনয়ন বিচাৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০০

ৰাজ্যৰ চাহ জনগোষ্ঠীয় লোকসকলে আজি কৃষিভিত্তিক উৎসৱ কৰম পৰৱ পালন কৰিব। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই পৰৱে সকলোৰে জীৱন সুখ-সমৃদ্ধি আৰু আনন্দৰে পৰিপূৰ্ণ কৰি তুলিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। প্ৰকৃতিৰ সৈতে নিবিড় সম্পৰ্ক থকা এই উৎসৱত চাহ জনগোষ্ঠীৰ লোকসকলে ঝুমুৰ নৃত্য-গীত গাই ৰং-ৰহইচ আৰু গছ পূজাৰ লগতে শস্য-পথাৰ সেউজীয়া হোৱাৰ মানসেৰে পূজা-পাতল কৰে।

০০০০০০০

সমগ্ৰ দেশতে আজি হিন্দী দিৱস পালন কৰা হৈছে। ১৯৪৯ চনৰ আজিৰ দিনটোতে সংবিধান সভাই দেৱনাগিৰি লিপিত লিখা হিন্দী ভাষাক দেশৰ ৰাজভাষা হিচাপে গ্ৰহণ কৰিছিল। সম্প্ৰতি হিন্দী বিশ্বৰ বহুলভাৱে প্ৰচলিত ভাষাসমূহৰ অন্যতম আৰু ৫২ কোটিৰো অধিক লোকৰ প্ৰথম ভাষা। এই উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয় যে সকলো ভাৰতীয় ভাষাই দেশৰ গৌৰৱ আৰু ঐতিহ্য। এই ভাষাসমূহৰ উন্নতি অবিহনে দেশৰ প্ৰগতি সম্ভৱ নহয়। ৰাজভাষা হিচাপে হিন্দীৰ সৈতে সকলো ভাৰতীয় ভাষাৰ সম্পৰ্ক আছে। তেওঁ কয় যে এই বছৰ হিন্দী ভাষাই ৰাজভাষা হিচাপে স্বীকৃতি লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হ’ব আৰু হিন্দী ভাষাই ৰাষ্ট্ৰীয় একতা তথা সংযোগী ভাষা হিচাপে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে সকলো ভাৰতীয় ভাষাৰ সমৃদ্ধি কামনা কৰাৰ লগতে হিন্দী ভাষাই দেশৰ বিকাশত বিশেষ ভূমিকা ল’ব বুলিও আশা প্ৰকাশ কৰে।

০০০০০০০

ধ্বনি লোককৃষ্টি সমাজৰ উদ্যোগত কালি ঢেকীয়াজুলি নগৰৰ বিহু ভৱনত লোকনায়ক অমিয় কুমাৰ দাসৰ জীৱনৰ আধাৰত প্ৰস্তুত কৰা এখন তথ্যচিত্ৰ উন্মোচন কৰা হয়। তথ্যচিত্ৰখনৰ জৰিয়তে দেশ আৰু ঢেকিয়াজুলিৰ প্ৰতি স্বাধীনতা সংগ্ৰামী, ৰাজনৈতিক নেতা অমিয় কুমাৰ দাসৰ অৱদানৰ বিবৰণ দাঙি ধৰা হৈছে। উন্মোচনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে সমাজ সংস্কাৰক আৰু সংগঠক ৰমেশ বৰুৱাই ভাষণ আগবঢ়ায়। অনুষ্ঠানত ড০ শুকদেৱ অধিকাৰী, ড০ হৰিপ্ৰসাদ বৰুৱা, পল্লবী বৰুৱা, নৰেন হালৈ আৰু ঈশ্বৰ গোপালকৃষ্ণ ৰাভা আদিকে ধৰি গণ্যমান্য বহুতো লোক উপস্থিত থাকে। তথ্যচিত্ৰখনৰ মূল উদ্যোক্তা আছিল মুনীন্দ্ৰ নীল ডেকা, মানস জ্যোতি নাথ, হিৰণ্য বৰা, প্ৰমোদ ভূমিজ, অজয় দাস আৰু ৰূপক ভূঞা।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উপ প্ৰৱন্ধক বৈশালী তালুকদাৰ আৰু সহকাৰী প্ৰৱন্ধক বিনয় নাথ সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি কথা পাতিব পাৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মতে অন্যান্য জিলাসমূহৰ লগতে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আজি ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউন্সৰ গোচৰ, যান-বাহন আইন ১৯৮৮ অধীনৰ গোচৰসমূহ নিষ্পত্তিৰ দিহা কৰা হৈছে। তদুপৰি বিভিন্ন বেংকৰ ঋণ আদায়, বিজুলী বিল আদায় সম্বন্ধীয়, বি-এছ্-এন-এলৰ বিল গোচৰ সম্বন্ধীয় প্ৰাক মোকৰ্দমা গোচৰসমূহো মীমাংসাৰ বাবে লোৱা হ'ব। মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ অধ্যক্ষ আৰু সচিবে মাজুলীবাসীক এই ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। বিতং তথ্যৰ বাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয় সমন্বয়কৰ ফোন নম্বৰ ৮৬৩৮০-২৮৮৭১ অথবা কাৰ্যালয়ৰ মেইলত যোগাযোগ কৰিব পাৰে।

০০০০০০০

অলিম্পিকত দুবাৰকৈ পদক অৰ্জন কৰা ভাৰতৰ নীৰজ চোপ্ৰাই আজি নিশা বেলজিয়ামৰ ৰাজধানী ব্ৰুছেলছত অনুষ্ঠিত চলিত বৰ্ষৰ ডায়মণ্ড লীগ ফাইনেল প্ৰতিযোগিতাৰ পুৰুষ জেভলীন থ্ৰ' শিতানত অৱতীৰ্ণ হ'ব। এই শিতানৰ খেলসমূহ ভাৰতীয় সময় অনুসৰি নিশা প্ৰায় ১ বাজি ৫২ মিনিটত আৰম্ভ হ'ব। নীৰজ চোপ্ৰাই ইয়াৰ পূৰ্বে ২০২২ চনত এই প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছিল আৰু ২০২৩ চনত দ্বিতীয় স্থানত আছিল। খেলুৱৈগৰাকীয়ে চলিত বৰ্ষত দুখন প্ৰতিযোগিতাৰ পৰা ১৪ পইণ্ট লাভ কৰিছে আৰু সামগ্ৰিকভাৱে চতুৰ্থ স্থানত আছে।

ইপিনে, অৱিনাশ ছাবলেই ডায়মণ্ড লীগ ফাইনেলৰ পুৰুষৰ ৩ হাজাৰ মিটাৰ ষ্টিপলছেজ দৌৰত কালি নৱম স্থানত থাকে। তেওঁ ৮ মিনিট আৰু ১৭ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰে।

০০০০০০০

Newspaper Review (14-09-2024, Morn.)

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। অসম মন্ত্ৰীসভাই অনিয়ন্ত্ৰিত জমা ধন আৰু অবৈধ ট্ৰেডিং কেলেংকাৰী সংক্ৰান্তত ৰাজ্যৰ বিভিন্ন আৰক্ষী চকীত ৰুজু হোৱা ৩২ টা গোচৰ কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থালৈ হস্তান্তৰ কৰাৰ বাতৰিটো প্ৰতিখন কাকতেই প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো **দৈনিক অসম** কাকতে '৩২ টা গোচৰৰ তদন্ত চি বি আইক' শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

ছমাহৰো অধিক দিন কাৰাবন্দী হৈ থকাৰ অন্তত কালি বিয়লি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল কাৰাগাৰৰ পৰা ওলাই অহা বাতৰিটো **আমাৰ অসম** কাকতে আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে সোণাপুৰৰ উচ্ছেদিতক প্ৰৰোচনাৰ তদন্ত ঘোষণা কৰা বাতৰিটো **অসমীয়া খবৰ** কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে সোণাপুৰৰ ঘটনাটো বিৰোধী দলে অমানৱীয় বুলি আখ্যা দিয়াৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া প্ৰতিদিন** কাকতৰ দুটা গুৰুত্বপূৰ্ণ বাতৰিৰ শিৰোনাম 'সাহিত্যচাৰ্য পণ্ডিত উপেন্দ্ৰনাথ শৰ্মাৰ দেহাৱসান' আৰু 'মাইনাও ব্ৰহ্মৰ দুই সহযোগীক বঙাইগাঁৱত গ্ৰেপ্তাৰ'। **নিয়মীয়া বাৰ্তা** কাকতৰ দুটা গুৰুত্বপূৰ্ণ বাতৰিৰ শিৰোনাম 'ছুইছ বেংকত জমা থকা আদানীৰ দুহেজাৰ ৭৫২ কোটি জব্দ' আৰু 'এটা বিশেষ চেনেলত চুমিৰ সাক্ষাৎকাৰ, তদন্তৰ নিৰ্দেশ ড° শৰ্মাৰ'। অসম সত্ৰ মহাসভাই ৰাজ্যৰ সকলো সত্ৰৰ ভূমি দখলমুক্ত কৰিবলৈ ৰাজ্যচৰকাৰলৈ আহ্বান জনোৱা বাতৰিটো **দা ছেণ্টিনেল** কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০

**সমাপ্ত**